

সপ্তম শ্রেণীৰ পাঠ্যপুথি

সমাজ বিজ্ঞান

(দ্বিতীয় ভাগ)

ভূগোল

পাঠ - ৮

উত্তৰ-পূব ভাৰত

অংশ – ৩

জ্যোতি দাস

শিকনৰ ফলাফল

- উত্তৰ-পূব ভাৰতৰ ৰাজ্যসমূহৰ জলবায়ু সম্পৰ্কে জানিব পাৰিব।
- উত্তৰ-পূব ভাৰতৰ জনগোষ্ঠীয় ইতিহাস আৰু জনগাঁথনিৰ চমু আভাস পাব।
- ৰাজ্য অনুসৰি জনসংখ্যাৰ বিতৰণ সম্পৰ্কে জানিব পাৰিব।


উত্তৰ-পূব ভাৰতৰ জলবায়ু
(The Climate of North East India)

- উত্তৰ-পূব ভাৰতৰ দক্ষিণ দিশত থকা ত্রিপুৰা আৰু মিজোৰামৰ মাজেদি কর্কটক্রান্তি ৰেখাডাল পাৰ হৈ গৈছে।
- সেইবাবে এই অঞ্চল ক্রান্তীয় জলবায়ুৰ অন্তর্গত।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

- ইয়াত মৌচুমী বায়ুৰ প্ৰভাৱত প্ৰচুৰ পৰিমাণে বৰষুণ হয়।
- ইয়াৰ জলবায়ু গৰম আৰু সেমেকা তথা আৰ্দ্ৰতাও বেছি।
- কিন্তু শীতকালি বতৰ কিছু শুকান হৈ থাকে।





উত্তৰ-পূব ভাৰতৰ জলবায়ু প্ৰধানকৈ তলত দিয়া কাৰকসমূহৰ দ্বাৰা প্ৰভাৱান্বিত।

১। অঞ্চলটোত থকা পাহাৰ, মালভূমি আৰু পৰ্বতসমূহৰ অৱস্থিতি।

২। বঙ্গোপসাগৰৰ ওপৰত বিভিন্ন ঋতুত সৃষ্টি হোৱা চাপৰ তাৰতম্য।

৩। দ্ৰক্ষিণ-পশ্চিম মৌচুমী বতাহ আৰু উত্তৰ-পূব মৌচুমী বতাহৰ প্ৰভাৱ।

৪। এই অঞ্চলৰ বিস্তৃত জলৰাশি আৰু বনাঞ্চলসমূহ।

৫। স্থানীয়ভাৱে সৃষ্টি হোৱা ঘূৰ্ণীবতাহ আদি।

উত্তৰ-পূব ভাৰতৰ জনসংখ্যা
(Population of North East India)



অৰুণাচলী

অসমীয়া



মণিপুৰী



গাৰো

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰ-পূব ভাৰতৰ জনসংখ্যা
(Population of North East India)



মিজো

নাগা



লিম্বু



ত্রিপুৰী

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

- উত্তৰ-পূব ভাৰতৰ জনগাঁথনি সম্পৰ্কে জানিবলৈ হ'লে আমি অতীজৰেপৰা এই অঞ্চললৈ হোৱা জন প্ৰব্ৰজন সম্পৰ্কে জনাটো দৰকাৰ।
- অনুমান কৰা হৈছে যে, উত্তৰ-পূব ভাৰতলৈ অষ্ট্ৰ'এছীয়সকলেই প্ৰথমে দক্ষিণ-পূব এছিয়াৰ পৰা আহিছিল।

समग्र शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

- তেওঁলোক বর্তমানৰ মেঘালয়ৰ খাছীসকল আৰু মধ্য ভাৰতৰপৰা অহা মুণ্ডা, হো, চাৱৰা, ওৰাং, গোণ্ড আদি চাহ জনগোষ্ঠীৰ লোকসকল।
- দ্বিতীয়তে, তিৰ্বতীয় চীনা ভাষীক গোষ্ঠীৰ লোকসকল এই অঞ্চলত প্ৰৱেশ কৰে।
- বর্তমান অৰুণাচল প্রদেশ, নাগালেণ্ড, মিজোৰাম, মণিপুৰ আৰু অসমত বসবাস কৰা মংগোলীয় প্রজাতিৰ লোকসকল ইয়াৰ উদাহৰণ।

समग्र शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

- এওঁলোক ক্রমে মিছিং, বড়ো, কাচিম, কুকী-চীন আদি লোকসকল।
- আনহাতে একে গোষ্ঠীৰে কিছু লোক ব্ৰহ্মদেশৰ চীন অঞ্চলৰপৰা আহি উজনি অসমত বাস কৰিবলৈ লয়।
- তেওঁলোক হ'ল বৰ্তমানৰ আহোম আৰু টাইসকল।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

- তৃতীয়তে, ইণ্ডো ইউৰোপীয় জনগোষ্ঠীৰ লোকসকল ক্ৰমে ভাৰতৰ সমভূমি অঞ্চলৰপৰা অহা হিন্দু আৰু থলুৱা মুছলমানসকল, নেপালৰপৰা অহা নেপালীসকল।
- ইয়াৰ উপৰি পূৰ্ববংগ (পৰৱৰ্তী সময়ত পূব পাকিস্তান আৰু বৰ্তমান বাংলাদেশ) ৰপৰা অহা প্ৰব্ৰজনকাৰী মুছলমান আৰু হিন্দুসকল এই ইণ্ডো ইউৰোপীয় জনগোষ্ঠীৰ অন্তৰ্গত।

समग्र शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation



- এই আটাইবোৰ জনপ্ৰৱাহ একে সময়তে হোৱা নাছিল।
- বৰঞ্চ ইতিহাসৰ বিভিন্ন সময়ত বিভিন্ন কাৰণত এনে জনগোষ্ঠীৰ আগমন ঘটিছিল।
- অসম আৰু ত্ৰিপুৰাত এই লোকসকল বাস কৰা দেখা যায়।
- কালক্ৰমত প্ৰায় সকলো জনগোষ্ঠীৰ মাজতে সংমিশ্ৰণ ঘটিছে।

- তাৰ উপৰি স্বাধীনতাৰ আগত বৃটিছসকলে উত্তৰ-পূব ভাৰতৰ ৰাজ্যসমূহত বাণিজ্য আৰু প্ৰশাসনীয় কাম-কাজ চলোৱাৰ সুবিধাৰ বাবে কিছুসংখ্যক লোকক ভাৰতৰ অন্যান্য ঠাইৰপৰা এই অঞ্চললৈ আনিছিল।
- তাৰ ভিতৰত চাহ বনুৱা আৰু বঙালী সম্প্ৰদায়ৰ লোকেই প্ৰধান।
- বঙালী সম্প্ৰদায়ৰ লোকসকল বৰ্তমান ব্ৰহ্মপুত্ৰ আৰু বৰাক উপত্যকাৰ লগতে অন্যান্য ৰাজ্যসমূহত সিঁচৰতি হৈ আছে।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

- তদুপৰি সময়ে সময়ে এই অঞ্চলৰ বিভিন্ন প্ৰান্তত বহু লোকে থিতাপি লৈছে।
  - বিহাৰী আৰু মাৰোৱাৰীৰ দৰে হিন্দী ভাষী লোক।
  - নেপালৰ পৰা অহা গোৰ্খা।
- হিন্দী ভাষীসকল ব্যৱসায়-বাণিজ্য আৰু নেপালীসকল ঘাঁহনি থকা অঞ্চলবোৰত পশুপালন বৃত্তি আৰু কৃষি কাৰ্যৰ সৈতে জড়িত হয়।


समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

- উত্তৰ-পূব ভাৰতৰ ৰাজ্যসমূহৰ জনসংখ্যাৰ ধৰণ ভিন্ন।

কাৰণ

- ভৌগোলিক আৰু অৰ্থনৈতিক কাৰক
- জন প্ৰব্ৰজন (মূল কাৰণ)



- অসম, ত্রিপুৰা, মণিপুৰ আদি ৰাজ্যৰ জনসংখ্যা বৃদ্ধি পাইছে।

কাৰণ

- উৰ্বৰ ভূমি
- বিভিন্ন সম্পদৰ উপলব্ধতা

(উদ্যোগ, তৈলক্ষেত্র, নদীৰ সাৰুৱা কৃষিভূমি, চাহ খেতি)

- উত্তৰ-পূব ভাৰতৰ সকলো ৰাজ্যৰ ভিতৰত অসমত সর্বাধিক জনসংখ্যা।

समग्र शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰ-পূব ভাৰতৰ ৰাজ্যবোৰৰ জনসংখ্যা বিতৰণ
(Population distribution of North-East India)

ৰাজ্য	জনসংখ্যা	ঘনত্ব প্ৰতি বৰ্গ কিঃ মি	পুৰুষ-মহিলাৰ অনুপাত
অসম	৩,১১,৬৯,২৭২	৩৯৭	৯৫৪
অৰুণাচল	১৩,৮২,৬১১	১৭	৯২০
নাগালেণ্ড	১৯,৮০,৬০২	১১৯	৯৩১
মণিপুৰ	২৭,২৯,৭৫৬	১২২	৯৮৭
মিজোৰাম	১০,৯১,০১৪	৫২	৯৭৫
ত্ৰিপুৰা	৩৬,৭১,০৩২	৩৫০	৯৬১

উত্তৰ-পূব ভাৰতৰ ৰাজ্যবোৰৰ জনসংখ্যা বিতৰণ
(Population distribution of North-East India)

ৰাজ্য	জনসংখ্যা	ঘনত্ব প্রতি বর্গ কিঃ মি	পুৰুষ-মহিলাৰ অনুপাত
মেঘালয়	২৯,৬৪,০০৭	১৩২	৯৮৬
চিকিম	৬,০৭,৬৮৮	৮৬	৮৮৯

২০১১ লোক পিয়ল মতে -

মূল্যায়ন




1 | উত্তৰ পূৱত কোনখন ৰাজ্যত জনসংখ্যা বেছি -

ক অসম ✓

খ অৰুণাচল প্ৰদেশ ✗

মূল্যায়ন





2 | ত্রিপুৰা আৰু মিজোৰামৰ মাজেদি ..... ৰেখাডাল পাৰ হৈ গৈছে ।